# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানতো পূৰ্ণ প্ৰস্তুতি চলিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। আনহাতে, পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ লগতে আন আন সকলে পতাকা উত্তোলন কৰিবলগীয়া স্থান কালি মুখ্য সচিব ড০ ৰবি কোটাই অধিসূচনাযোগে প্ৰকাশ কৰিছে। সেই অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে দৰঙত, কৃষিমন্ত্ৰী অতুল বৰাই শিৱসাগৰত, ৰাজহ মন্ত্ৰী কেশৱ মহন্তই বঙাইগাঁৱত, হস্ততাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই চিৰাঙত, বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে নগাঁৱত, পৰিবহন মন্ত্ৰী যোগেন মহনে মাহমৰা সমজিলাত, বিত্ত মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই শোণিতপুৰত, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই যোৰহাটত, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নলবাৰীত, ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাই বৰপেটাত, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে তিনিচুকীয়াত, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী কৌশিক ৰায়ে কাছাৰত, পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে শ্ৰীভূমিত, শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই লখিমপুৰত, বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য কোকৰাঝাৰত, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিসৰাম ৰংহাঙে ডিফুত, ডিমা হাছাও  স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বি টি আৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমিনে গোৱালপাৰাত পতাকা উত্তোলন কৰিব।

০০০০০০

সদৌ অসম মটক ছাত্ৰ সন্থাৰ ২৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস কাইলৈ দিনজোৰা কাৰ্যসূচীৰে পানীতোলাত অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মটক ৰজা সৰ্বানন্দ সিংহৰ সোঁৱৰণত আগবঢ়োৱা বেংমৰা সমন্বয় বঁটা সদৌ অসম ছাত্ৰ সন্থাৰ একালৰ সভাপতি তথা অগপৰ বৰ্তমানৰ সভাপতি, মন্ত্ৰী অতুল বৰাক প্ৰদান কৰা হয়। এই অনুষ্ঠানতে একুৰিৰো অধিক বিশিষ্ট ব্যক্তিক সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱিহনাৰ বাবে সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থখন তিনিচুকীয়া জিলাৰ সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই উন্মোচন কৰে।

০০০০০০০

সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাই তেওঁলোকৰ দাবীৰ সমৰ্থনত আজিৰ আন্দোলনৰ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰাখিছে। কালি অনুষ্ঠিত সন্থাৰ জৰুৰী কাৰ্যনিৰ্বাহকৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সন্থাৰ সভাপতি বিক্ৰমজিৎ চক্ৰৱৰ্তী আৰু সাধাৰণ সম্পাদক জয়ন্ত ভাণ্ডাৰ কায়স্থই এই কথা জানিবলৈ দি কয়, যে আসন্ন গণৰাজ্য দিৱস আৰু আসন্ন ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি আন্দোলন সাময়িকভাৱে স্থগিত ৰখা হৈছে।

০০০০০০০

ৰিখটাৰ স্কেলত ৪ দশমিক ৮ প্ৰাবল্যৰ এটা ভূমিকম্পই যোৱানিশা অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন কেইখনমান ৰাজ্য জোকাৰি যায়। ৰাষ্ট্ৰীয় ভূ-কম্পন বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি মানম্যাৰত ভূ-পৃষ্ঠৰ পৰা ১০৬ কিলোমিটাৰ গভীৰতাত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। ভূমিকম্পৰ ফলত ধন-জন হানি হোৱাৰ কোনো তথ্য পোৱা হোৱা নাই।

০০০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি টকিঅ'ত জাপানৰ ভূমি, আন্তঃগাঁথনি, পৰিবহণ আৰু পৰ্যটন ৰাজ্যমন্ত্ৰী ফুৰুকাৱা য়াছুছিক সাক্ষাৎ কৰি দেশখনৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। পৰ্যটনক সমৃদ্ধি তথা অসম আৰু জাপানৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ়কৰণৰ সচাৰকাঠি বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰাইদেউ মৈদাম আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে চাহ বাগিচা আৰু মনোমোহো গ'ল্ফ কৰ্চসমূহ জাপানী পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব পাৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী কোমুৰা মাছাহিৰোক সাক্ষাৎ কৰি জাপানৰ কোম্পানীসমূহৰ বাবে অসমত বিনিয়োগৰ সুচল পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে জাপানৰ মন্ত্ৰীগৰাকীক অসম চৰকাৰে দেশখনৰ কোম্পানীসমূহৰ বাবে এখন ঔদ্যোগিক উদ্যান স্থাপনৰ পৰিকল্পনা লৈছে বুলি অৱগত কৰে। তদুপৰি অসমৰ প্ৰতিভাৱান আৰু দক্ষতাসম্পন্ন যুৱক-যুৱতীয়ে জাপানত কৰ্মচাৰীৰ চাহিদা পূৰণ কৰাত কেনেদৰে সহায় কৰিব এই বিষয়ে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। এই আলোচনা কালত ভাৰত আৰু জাপানৰ মূল্যবোধ, ৰীতি-নীতি আৰু গৌতম বুদ্ধৰ আদৰ্শৰাজিয়ে কিদৰে দুয়ো দেশৰ মাজত আধ্যাত্মিক সেতু গঢ়ি তুলিছে সেই বিষয়সমূহে স্থান লাভ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জাপানৰ খাদ্য প্ৰসংস্কৰণ কোম্পানী কামেদা ছেইকাৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীলেখ ৰাজ জুনেজাৰ সৈতেও আলোচনাত মিলিত হৈ তেওঁক অসমৰ সমৃদ্ধিশালী খাদ্য প্ৰসংস্কৰণ খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনায়। তেওঁ কয় যে অসমত উদ্যোগৰ বাবে সৃষ্টি হোৱা অনুকূল পৰিবেশৰ বাবে বৃহৎ কোম্পানীসমূহে নিজৰ কাৰ্যপন্থা সুচলভাৱে আগবঢ়াই নিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰীয়ে শ্ৰীজুনেজাক শেহতীয়াকৈ প্ৰবাসী ভাৰতীয় সন্মান বঁটা ২০২৫ লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

০০০০০০০

**সমাপ্ত**